بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২ চেপ্তেম্বৰ চন ২০২২ ত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ

### হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত বহিঃ আৰৱৰ বিৰুদ্ধবাদী সকলৰ আক্ৰমণৰ বিৰুদ্ধে সংঘটিত হোৱা যুদ্ধ সম্পৰ্কে বৰ্ণনা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ যুগত হোৱা যুদ্ধবোৰৰ উল্লেখ হৈ আছিল। এই সন্দৰ্ভত দামাস্ক যি ১৩ (তেৰ) হিজৰীত বিজয় হৈছিল সেই বিষয়ে কিছু বিস্তাৰিত ভাৱে বৰ্ণনা কৰিম। এইটো শেষ যুদ্ধ আছিল যি হজৰত আবু বক্কৰ (ৰাঃ)ৰ যুগত সংঘটিত হৈছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ছিৰিয়াৰ ফালে বিভিন্ন সেনাবাহিনী ৰাওনা কৰে। হজৰত আবু উবেয়দা (ৰাঃ)ক এটা সেনা বাহিনীৰ আমিৰ নিযুক্ত কৰি দামাস্কৰ কাষতীয়া ছিৰিয়াৰ এখন পুৰণি, বিখ্যাত আৰু ডাঙৰ হিমচ চহৰলৈ যাবলৈ আদেশ দিয়ে। হজৰত আবু বক্কৰ (ৰাঃ)ৰ আদেশ অনুযায়ী হজৰত খালিদ (ৰাঃ)য়ে দামাস্কত গৈ আন আন ইছলামী সেনাসকলৰ সৈতে হিমচ ঘেৰাও কৰে আৰু তাতে ২০ (বিশ) দিন অতিক্ৰম হৈ যোৱা সত্ত্বেও কোনো ধৰণৰ ফলাফল নোলায়। সেই সময়ছোৱাত মুছলমান সকলক সংবাদ প্ৰদান হয় যে হৰকিল বাদশ্বাই আজনাদ্বিন ঠাইত ৰোমী সকলৰ সেনা বাহিনী একগোট কৰি ৰাখিছে। এই সংবাদ শুনাৰ লগে লগে হজৰত খালিদ (ৰাঃ)য়ে **বাবে শ্বৰকীৰ** পৰা ৰাওনা হৈ **বাবে জাবিয়াত** হজৰত আবু উবেয়দা (ৰাঃ)ৰ ওচৰলৈ যায় আৰু পৰিস্থিতিৰ বিষয়ে অৱগত কৰাই নিজৰ ৰায় উত্থাপন কৰে যে আমি দামাস্কৰ ঘেৰাও এৰি আজনাদ্বিনত ৰোমি সেনা বাহিনীৰ সৈতে যুদ্ধ চলাম আৰু যদি আল্লাই আমাক বিজয় প্ৰদান কৰে তেতিয়া ইয়ালৈ আকৌ ওভতি আহিম; হজৰত আবু উবেয়দা (ৰাঃ)য়ে কয় যে মোৰ ৰায় ইয়াৰ পৰিপন্থী। হজৰত খালিদ (ৰাঃ)য়ে হজৰত আবু উবেয়দা (ৰাঃ)ৰ ৰায় মতে ঐক্যমত হয় আৰু দুৰ্গৰ ঘেৰাও অব্যাহত ৰাখে। এইদৰে দুৰ্গৰ ঘেৰাও ২১ দিন অতিবাহিত হৈ যায়; হজৰত খালিদ (ৰাঃ)য়ে মুছলমান সকলক আক্ৰমণাত্মক আক্ৰমণ তীব্ৰ কৰাৰ বাবে উৎসাহিত কৰি নিজে

**বাবে শ্বৰকিৰ** পৰা একেৰাহে আক্রমণ চলায়। এইদৰে যুদ্ধৰত অৱস্থাত ব্যস্ত হৈ থকা অৱস্থাত দেখিবলৈ পায় যে দুৰ্গৰ দেৱালৰ ওপৰত যিসকল ৰোমী সেনা আছিল সিহঁতে হাত চাপৰি মাৰি নৃত্য আৰু আনন্দ প্ৰকাশ কৰি আছে। মুছলমান সকলে আশ্চৰ্য হৈ সিহঁতক দেখিব ধৰিলে। হজৰত খালিদ (ৰাঃ)য়ে এফালে বৃহৎ আকাৰত ধূলিকণা দেখিবলৈ পায়, যাৰ কাৰণে আকাশ অন্ধকাৰ আৰু দিনৰ সময়তো অন্ধকাৰ ছাঁয়া হোৱা দেখিবলৈ পোৱা গৈছিল, তেতিয়া তেখেত (ৰাঃ)য়ে তৎক্ষণাত বুজি পাইছিল যে দামাস্কাৰ বাসিন্দাসকলৰ সহায়ৰ বাবে হৰকিল বাদশ্বাহৰ সেনা বাহিনী আহি আছে।

হজৰত খালিদ (ৰাঃ)য়ে তৎক্ষণাত হজৰত আবু উবেয়দা (ৰাঃ)ক পৰিস্থিতিৰ বিষয়ে অৱগত কৰি কয় যে মই এই ইচ্ছা কৰিছিলোঁ যে গোটেইবিলাক সেনা বাহিনী লৈ হৰকিল বাদশ্বাই প্ৰেৰণ কৰা সেনাৰ সৈতে মোকাবিলা কৰাৰ বাবে যাম, এই সন্দৰ্ভত তেখেত (ৰাঃ)ৰ পৰামৰ্শ কি আছিল ? হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছে যে এইটো ঠিক নহ'ব, কাৰণ যদি আমি এই ঠাই এৰি দিওঁ তেন্তে দুৰ্গত অৱস্থান কৰা সকলে বাহিৰলৈ ওলাই আহি আমাৰ সৈতে যুদ্ধ কৰিব আৰু আমি ৰোমী সকলৰ দুটা সেনা বাহিনীৰ মাজ ভাগত বিপদত আৱদ্ধ হৈ যাম; এই সন্দৰ্ভত হজৰত খালিদ (ৰাঃ)য়ে আৰু ৰায় বিচৰাত তেখেত (ৰাঃ)য়ে কলে যে এজন বীৰ আৰু বাহাদুৰ ব্যক্তিক নিৰ্বাচিত কৰা আৰু তেওঁৰ সৈতে এটা জামাতক শত্ৰুসকলৰ সৈতে মোকাবিলা কৰাৰ বাবে যাত্ৰা কৰা। আন এটা ৰিৱায়ত অনুযায়ী সেনা বাহিনীৰ সংখ্যা আছিল পাঁচ হাজাৰ।

মুছলমানসকলে বীৰদৰ্পে ৰোমী সেনাসকলৰ সৈতে একেৰাহে আক্রমণ চলায়; ৰোমী কমাণ্ডৰৰ পুত্ৰই হজৰত জাৰাৰ (ৰাঃ)ৰ ওপৰত আক্রমণ চলায় আৰু তেখেতৰ বাওঁ ফালৰ বাহুৰ ওপৰত বল্লমেৰে আক্রমণ চলায় যাৰ ফলত তেজ দ্ৰুত ভাৱে ওলাব ধৰিলে; কিন্তু সেই মুহূৰ্ততে তেখেত (ৰাঃ)য়ে তেওঁৰ হৃদয়ত বল্লমেৰে আক্রমণ কৰি হত্যা কৰি পেলায়। বল্লম তেওঁৰ বুকুত সোমাই যায় আৰু বল্লমৰ মূল অংশ ভাঙি যায়। ৰোমী সেনা সকলে যেতিয়া বল্লম খালি দেখিবলৈ পায় তেতিয়া তেখেত (ৰাঃ)ৰ ওপৰত জপিয়াই পৰে আৰু তেখেত (ৰাঃ)ক বন্দী বনাই লয়। যেতিয়া এই সংবাদ হজৰত খালিদ বিন অলিদ (ৰাঃ)লৈ পৌচায় তেতিয়া তেওঁ উদ্বিগ্ন হৈ পৰে আৰু লগৰীয়াসকলৰ পৰা ৰোমী সেনা বাহিনীৰ খবৰ লৈ হজৰত আবু উবেয়দা (ৰাঃ)ৰ সৈতে পৰামৰ্শ কৰে; তেখেতে কয় যে দামাস্কৰ ঘেৰাও যুক্তিসঙ্গত ব্যৱস্থাৰ মাধ্যমে আক্রমণ চলাব পাৰে।

সেই সময়ত সেনা বাহিনী সন্মুখত থকা ৰঙা ঘোঁৰাৰ ওপৰত থকা আৰোহণ কৰচৰ ওপৰত কাপোৰ পৰিধান কৰা অজনা বাদশ্বাই আৰোহণ কৰি অহা দেখা গ'ল যাৰ পৰা বাহাদুৰ, বুধিয়ক আৰু যুদ্ধ পাৰ্গত স্পষ্ট ভাৱে প্ৰকাশ পাইছিল। হজৰত খালিদ (ৰাঃ)য়ে ইচ্ছা কৰিলে যে সম্ভৱত ! মই জানিব পাৰিলো হয় যে এইজন আৰোহণকাৰী বাদশ্বাহজন কোনে হয় ? ইছলামৰ সেনা বাহিনী যেতিয়া কাফিৰ সকলৰ কাষ চাপে তেতিয়া সিহঁতে তেওঁৰ ওপৰত এনেকুৱা বীৰত্বৰ সৈতে আক্রমণ চলায় যে যেনেকুৱা বাজে চৰাইৰ ওপৰত জপিয়াই পৰে; এই আক্রমণে শত্ৰুসকলৰ সেনা বাহিনী ছেদেলি-ভেদেলি হৈ যায় আৰু মৃতদেহৰ স্তূপ লগাই দিয়ে। হজৰত খালিদ (ৰাঃ)য়ে জোৰ দিয়াত তেওঁ কলে যে মই জৰাৰ ভনী খাউলা বিনতে আজৱাৰ হওঁ। ভাইৰ গেৰেপ্তাৰীৰ কথা উঠিলে আৰু মই সেয়াই কৰিলোঁ যি আপুনি দেখিবলৈ পালে।

হজৰত খালিদ (ৰাঃ)ৰ একেৰাহে আক্ৰমণৰ ফলত ৰোমীসকলৰ ভৰি উভালি পৰিল আৰু সিহঁতৰ সেনা বাহিনী ছেদেলি-ভেদেলি হৈ যায়। বীৰত্ব দেখুৱা হজৰত ৰাফে (ৰাঃ)ক হজৰত খালিদ (ৰাঃ)য়ে কলে, তুমি পথবোৰৰ বিষয়ে জ্ঞাত নিজৰ যুৱকসকলক লৈ হিমচ গৈ পোৱাৰ আগতে হজৰত জৰাৰ (ৰাঃ)ক মুক্তি কৰা আৰু নিজৰ প্ৰভুৰ প্ৰতিদান লাভ কৰা। তেওঁ যাবলগীয়াই আছিল হজৰত খাউলা (ৰাঃ)য়েও বিনতী কৰি লগতে যোৱাৰ বাবে অনুমতি লৈ লয়; পিছত হজৰত জৰাৰ (ৰাঃ)ক আল্লাহ তা'লাই মুক্তি প্ৰদান কৰে।

আনফালে ইছলামী সেনাসকলে দামাস্কত অৱস্থান কৰি আছিল আৰু দুৰ্গৰ ঘেৰাও অব্যাহত ৰাখিছিল যে বছৰাৰ পৰা হজৰত উবাদ বিন ছায়িদ (ৰাঃ)য়ে হজৰত খালিদ (ৰাঃ)ৰ ওচৰলৈ আহে আৰু সংবাদ দিয়ে যে ৰোমী সকলে ৯০ হাজাৰ সেনা বাহিনীৰ সৈতে আজনাদ্বিন নামৰ ঠাইত একগোট হৈ আছে। হজৰত খালিদ (ৰাঃ)য়ে হজৰত উবেয়দা (ৰাঃ)ৰ পৰা পৰামৰ্শ বিচাৰে তেতিয়া তেখেতে কয় যে আমাৰ সেনা সকলে ছিৰিয়াৰ ভিন্ন ভিন্ন স্থানত সিঁচৰিত হৈ আছে; সেই কাৰণে সিহঁতৰ সকলোকে চিঠি লিখি দিয়া যে সিহঁতে যেন আজনাদ্বিনত আহি আমাৰ সৈতে মিলিত হয় আৰু আমিও এতিয়া দামাস্কৰ দুৰ্গৰ ঘেৰাও এৰি দি আজনাদ্বিনৰ ফালে যাত্ৰা কৰিম। সিফালে মুছলমান সকলৰ সেনা বাহিনীয়ে যাত্ৰা আৰম্ভ কৰিলে আৰু ইফালে দামাস্কৰ বাসিন্দা সকলে হৰকিলৰ নিৰ্ভৰশীল আৰু কাঢ় নিক্ষেপ কৰাত পাৰ্গত বুলিচ নামৰ এজন ব্যক্তিৰ ওচৰত একগোট হৈ গ'ল। তেওঁ ইয়াৰ আগতে কোনো যুদ্ধতেই চাহাবা সকলৰ সন্মুখত অহা নাছিল। তেওঁক আমিৰ নিযুক্ত কৰা হ'ল আৰু প্ৰত্যেক ধৰণৰ লোভ দেখুৱাই যুদ্ধৰ ভাৱে প্ৰস্তুত কৰা হ'ল। তেওঁ বৰ দ্ৰুত গতিত ছয় হাজাৰ বাহিনী আৰু দহ হাজাৰ সেনা খোজ কাঢ়ি গৈ মুছলমান সকলৰ সৈতে মোকাবিলাৰ বাবে ওলাই পৰিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে বুলিচৰ সৈতে যুদ্ধৰত অৱস্থাত আছিল, সেই সময়তে বিভিন্ন এলেকাৰ পৰা মুছলমান সকলৰ সেনা বাহিনীয়ে এনেকুৱা ভাৱে আক্ৰমণ চলায় যাৰ ফলত দামাস্কৰ পৰা অহা আক্ৰমণকাৰী ৰোমী সকলৰ নিজৰে লাঞ্ছিত আৰু বিফল হোৱাৰ বিশ্বাস নিশ্চিত হৈ যায়। হজৰত জৰাৰ (ৰাঃ)য়ে অগ্নিশিখাৰ নিচিনা বুলিচৰ ফালে অগ্ৰসৰ হয়। তেওঁ যেতিয়া তেখেত (ৰাঃ)ক দেখিবলৈ পায় তেতিয়া ভয়তে কঁপি উঠে আৰু খোজ কাঢ়ি গুচি গৈ থিয় হৈ যায়। তেখেত (ৰাঃ)য়ে তেওঁক ঘেৰাও কৰি জীৱিত ধৰি আনি বন্দী কৰে। এই যুদ্ধত কাফিৰসকলৰ ছয় হাজাৰ সেনা সকলৰ মাজৰ কেৱল মাত্ৰ এশ সেনা জীৱিত আছিল আনফালে বুলিচৰ ভাই বুতৰছে সেনাসকলৰ সৈতে খোজ কাঢ়ি মহিলাসকলৰ ফালে আগবাঢ়ে আৰু কিছু মহিলাসকলক গেৰেপ্তাৰ কৰি দামাস্কৰ ফালে ওভতি আহে। হজৰত জৰাৰ (ৰাঃ) য়ে হজৰত খাউলা (ৰাঃ)ৰ বন্দীত দুঃখিত আছিল, সেই কাৰণে হজৰত খালিদ (ৰাঃ)য়ে তেখেত (ৰাঃ)ক শান্তনা দিয়ে লগতে দুই হাজাৰ সেনাক নিজৰ লগতে যোগ কৰে আৰু বাকী সকলো সেনাসকলক হজৰত আবু উবেয়দা (ৰাঃ)ৰ অধীনস্থ কৰি দিয়ে যাতে মহিলাসকলৰ সুৰক্ষা কৰিব পাৰে আৰু নিজেই বন্দী থকা মহিলাসকলৰ সন্ধানত ওলাই পৰিল।

যেতিয়া মহিলাসকলক বন্দী কৰি থকা স্থানত গৈ পায় তেতিয়া দেখিবলৈ পায় যে তাতে ধূলি উৰি আছে। তেখেত (ৰাঃ)য়ে আশ্চৰ্য হয় যে ইয়াত বিবাদ কিয় হৈ আছে ? জ্ঞাত হোৱাত জানিব পৰা গ'ল যে বুতৰছে মহিলাসকলক গেৰেপ্তাৰ কৰি নদীৰ কাষত নিজৰ ভাই বুলিচৰ অপেক্ষাত ৰৈ আছিল আৰু এতিয়া তেওঁ মহিলাসকলক পৰস্পৰৰ মাজত ভাগ কৰি আছিল, সেই মহিলাসকলৰ ভিতৰত বেছিভাগ বীৰত্ব,আৰোহণ কৰাত পাৰ্গত আৰু প্ৰত্যেক ধৰণৰ যুদ্ধৰ বিষয়ে অভিজ্ঞতা ৰাখিছিল। সিহঁতে একগোট হয় আৰু হজৰত খাউলা (ৰাঃ)য়ে সিহঁতক সম্বোধন কৰি সিহঁতক উৎসাহিত কৰে আৰু সিহঁতৰ সাহস বৃদ্ধি কৰে। তম্বুৰ স্তম্ভবোৰৰ সহায়ত এখন শৃংখলিত শিকলিৰ নিচিনা শত্ৰু সকলৰ ওপৰত আক্ৰমণ কৰে। ৰোমীসকলে সিহঁতৰ বীৰত্ব আৰু সাহস দেখি আশ্চৰ্য হৈ যায়। শত্ৰু সকলে দ্বিতীয়বাৰ প্ৰস্তুতি লয় কিন্তু প্ৰাৰম্ভিক আক্ৰমণৰ আগতেই মুছলমান সকলে হজৰত খালিদ (ৰাঃ)ৰ নেতৃত্বত তাতে গৈ পায়। যেতিয়া বুতৰছে মুছলমান সকলক দেখে তেতিয়া বিমৰ্ষ হৈ গুচি যায়। হজৰত জৰাৰ (ৰাঃ)য়ে বল্লমেৰে তেওঁক আঘাত কৰি স্তূপ কৰি পেলায়। এইদৰে বুলিচও নিজৰ ভাতৃৰ পৰিণাম শুনি ব্যক্তিগত ইচ্ছা অনুযায়ী হজৰত খালিদ (ৰাঃ)ৰ হাতত হত্যা হয়।

আজনাদ্বিন বিজয়ৰ পিছত হজৰত খালিদ (ৰাঃ)য়ে ইছলামী সেনা বাহিনীক দামাস্কৰ ফালে দ্বিতীয়বাৰ যাত্ৰা কৰিবলৈ আদেশ দিলে। দামাস্কৰ বাসিন্দাসকলে আজনাদ্বিনত ৰোমীসকলৰ পৰাজয়ৰ সংবাদ আগতেই পাইছিল; কিন্তু ইছলামী সেনা বাহিনী দামাস্কলৈ অহাৰ খবৰ শুনি বৰ ভীতিগ্ৰস্ত হৈ পৰিছিল। দামাস্কৰ চাৰিওফালে বসতি সকলে পলায়ন কৰি দুৰ্গত আশ্ৰয় লয়। অধিক পৰিমাণে খাদ্য সমাগ্ৰী আৰু খৰচৰ বস্তু বাহানি জমা কৰি ললে লগতে যুদ্ধৰ অস্ত্ৰসমূহও জমা কৰি ললে যাতে ঘেৰাও কৰা সকলৰ ওপৰত আক্ৰমণ চলাব পাৰে। ইছলামী সেনা সকলে দামাস্কৰ কাষতেই শিবিৰ পাতিলে তাৰ পিছত আগবাঢ়ি গৈ দুৰ্গৰ ঘেৰাও কৰে। দামাস্কৰ বছ (মুখিয়াল) সকল আৰু জ্ঞানীসকলে নিজৰ শাসক তুমা (হৰকিলৰ জোঁৱাই)ৰ হৰকিলৰ পৰা সহায় বিচাৰিলে বা মুছলমানসকলৰ সৈতে সংশোধন কৰাৰ বাবে পৰামৰ্শ দিলে কিন্তু তেওঁ দাম্ভিকতা আৰু অসংকাৰ দেখুৱাই মুছলমানৰ সৈতে তীব্ৰতাৰে আক্ৰমণ চলোৱাৰ আদেশ দিলে। এই আক্ৰমণৰ সময়ত কেইজনমান মুছলমান আঘাতপ্ৰাপ্ত হয় আৰু শ্বহীদও হয়। ইয়াৰ মাজত হজৰত আববান (ৰাঃ) বিন ছৈয়দও আছিল যাৰ নতুন কইনা হজৰত উম্মে আববান (ৰাঃ) অতি দৃঢ় প্ৰতিজ্ঞাৰ সৈতে যুদ্ধ কৰি থাকিলে আৰু নিজৰ কাড়ৰৰ দ্বাৰা কেইবাজন ৰোমী সকলক নিহত কৰে। এইদৰে তেখেত (ৰাঃ)য়ে সুযোগ পোৱাত এটা তীৰ তুমাৰ চকুত নিক্ষেপ কৰে আৰু চিৰদিনৰ ভাৱে তেওঁৰ এটা চকু অন্ধ বনাই দিলে; যাৰ ফলস্বৰূপ তুমাই নিজৰ সেনা বাহিনীৰ সৈতে ওভতি দুৰ্গৰ ভিতৰলৈ সোমাবলৈ বাধ্য হ'ল।

মুছলমানসকলে দামাস্কৰ কঠোৰ ভাৱে ঘেৰাও কৰি ৰাখিলে ইমানতে দামাস্কসকলৰ বিশ্বাস হৈ যায় যে সিহঁতৰ আৰু সহায় হ'ব নোৱাৰে যাৰ ফলত সিহঁতে দুৰ্বল হৈ যায় আৰু কাপুৰষতা দেখুৱাই যুদ্ধ কৰিবলৈ অক্ষম হৈ যায়। মুছলমান সকলৰ হৃদয়ত সিহঁতক অধীনস্থ কৰাৰ উৎসা বৃদ্ধি পালে আৰু

ঘেৰাও আৰু দীৰ্ঘ হৈ যাব ধৰিলে। হজৰত খালিদ (ৰাঃ)য়ে দামাস্কত প্ৰৱেশ কৰাৰ কৌশল উলিয়ায় যে কিছু ৰচী একত্ৰিত কৰি বেৰত উঠিবৰ বাবে আৰু সেইবোৰক বান্ধি জখলাৰ কাম লোৱা হওঁক। এই কৌশলক গ্ৰহণ কৰি ইছলামী সেনা সকলে দামাস্কত প্ৰৱেশ কৰে। ইছলামৰ চাৰিওজন আমিৰ চহৰৰ মাজত পৰস্পৰে পৰস্পৰৰ সৈতে সাক্ষাৎ কৰিব ধৰিলে। হজৰত খালিদ (ৰাঃ)য়ে যদিও দামাস্কত যুদ্ধ কৰি কিছু অংশ বিজয় লাভ কৰিছিল; কিন্তু হজৰত আবু উবেয়দা (ৰাঃ)য়ে সংশোধনৰ চুক্তি কৰি লৈছিল সেই কাৰণে বিজয়প্ৰাপ্ত এলেকাতো চুক্তিৰ চৰ্তাৱলী মানি লোৱা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় পৰৱৰ্তীত হজৰত আবু বক্কৰ (ৰাঃ)ৰ জীৱনৰ যি অংশ বাকী ৰৈ গৈছে সেয়া বয়ান কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে অৱশেষত মাননীয় উমৰ আবৱাৰ কোব চাহাব প্ৰাক্তন ছদৰ জামাত দক্ষিণ পিলিস্তাইন, মুঠ্ঠীৰ সৰ্বপ্ৰথম আহমদী মামনীয় শেখ নাচিৰ আহমদ চাহাব আফ থৰপাৰ কৰছন্দ পাকিস্তান, মাননীয় মুলক্ চুলতান আহমদ চাহাব প্ৰাক্তন মুৱাল্লিম ওৱাকফে জাদিদ আৰু মাননীয় মাহবুব আহমদ ৰাজিকি চাহাব আফ ছাআদুল্লাহপুৰ জিলা মেন্টী বাহাউদ্দিন পাকিস্তানৰ বিষয়ে বিস্তাৰিত ভাৱে উল্লেখ কৰি নামাজে জুমাৰ পিছত সিহঁতৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 2 SEP 2022**

# BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................
........................................................................................................................
........................................................................................................................
........................................................................................................................
........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844